**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-01-2026
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

১। গোৱালপাৰা জিলাৰ দুধনৈত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক বিতৰণ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ৭ জন অভিযুক্তৰ বিৰুদ্ধে আজি তৃতীয়টো শুনানি গ্ৰহণ।

৩। অহা ১৭ জানুৱাৰীত গুৱাহাটীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত প্ৰায় ১০ হাজাৰ শিল্পীৰ বাগৰুম্বা প্ৰদৰ্শন। ***আৰু***

৪। অসম গ্ৰন্থমেলাৰ আজি একাদশ দিনা মহিলাসকলৰ ভিন্নসুৰী কাৰ্যসূচী।

০০০০০

ৰাজ্যত উচ্ছেদ অভিযান নিৰন্তৰ চলি থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গোৱালপাৰা জিলাৰ দুধনৈত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত দুধনৈ বিধানসভা সমষ্টিৰ ২৮ হাজাৰ ৯৩ গৰাকী মহিলাৰ মাজত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত কমেও ১২ লাখ বিঘা দখলিকৃত ভূমি আছে। এই ভূমি পৰ্যায়ক্ৰমে দখলমুক্ত কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

**বাইট**

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অনুপ্ৰবেশকাৰীক চিনাক্ত কৰি দেশৰ পৰা বহিস্কাৰ কৰা কাৰ্যও চলি থাকিব মন্তব্য কৰে।

ইপিনে, হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ আজি দ্বিতীয় দিনাও অব্যাহত আছে। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমিত উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হৈছে।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৭ জন অভিযুক্তৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয়টো শুনানী গ্ৰহণ কৰা হয়। শুনানী কালত অভিযুক্তকেইজনৰ হৈ তেওঁলোকৰ অধিবক্তাই জামিন আৱেদন দাখিল কৰে। অৱশ্যে ন্যায়ালয়ে এই আৱেদন সন্দৰ্ভত ৰায়দান সংৰক্ষিত ৰাখে। ১৭ জানুৱাৰীত এই আবেদন সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হ'ব আৰু চৰকাৰী পক্ষৰ অধিবক্তাই সেইদিনাই এই জামিন আবেদনৰ বিৰুদ্ধে আপত্তি দৰ্শাব। এই শুনানীতে অভিযুক্তসকলৰ বিচাৰৰ ধাৰা নিশ্চিত কৰা হ'ব। উল্লেখযোগ্য যে, আটাইকেইগৰাকী অভিযুক্তই এই গোচৰৰ বাবে অধিবক্তা লাভ কৰিছে। আজি এই শুনানী কালত উপস্থিত থকাৰ

পাছত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এই বিচাৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ লগতে দোষীক উচিত শাস্তি প্ৰদানৰ বাবে বিশেষ আদালতত বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

-বাইট-

ইপিনে, সদৌ অসম উকীল সন্থায়ো এই গোচৰৰ বিচাৰ ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে কৰাৰ লগতে কমেও ১০-১২ জন অধিবক্তাৰ এটা দল গঠন কৰি এই বৃহৎ অভিযোগনামা দাখিল হোৱা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া সুচলভাৱে কৰিবলৈ আহ্বান জনাইছে।

০০০০০

বিহু আৰু ঝুমুৰৰ পাছত অহা ১৭ জানুৱাৰীত গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত বাগৰুম্বা প্ৰদৰ্শন কৰিব। অসমৰ অন্যতম প্ৰধান জনগোষ্ঠী বড়োসকলৰ লোকনৃত্য বাগৰুম্বাক বিশ্বৰ প্ৰেক্ষাপটলৈ নিয়াৰ লক্ষ্যৰে অসম চৰকাৰে গুৱাহাটী সৰুসঁজাই ষ্টেডিয়ামত এই অভিলাষী আয়োজন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰি বাগৰুম্বাৰ অনুশীলনৰ বুজ লয়।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি একাদশ দিনা মহিলাসকলৰ ভিন্ন সুৰী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিয়লি ৫ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

নগাঁও আৰক্ষীয়ে আজি পুৱা গোপন সূত্ৰৰ পম খেদি কাটিমাৰি গ্ৰাণ্টত অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজন কাটিমাৰী গ্ৰাণ্টৰ আব্দুল দুলাল আৰু ছেলিমা বেগম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তেওঁলোকৰ জিম্মাৰ পৰা আঢ়ৈ কিলোগ্ৰাম ভাং জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত লোক দুজনক জেৰা কৰি আছে।

০০০০০

কামৰূপৰ জিলা পৰিকল্পনা সমিতিৰ এখন সভা আজি জিলাৰ সংহত আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হয়। কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত পঞ্চদশ বিত্ত আয়োগৰ অধীনত ২০২৪-২৫ বৰ্ষৰ আঁচনিসমূহ চূড়ান্ত কৰা হয়। সভাত দৰং, ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, জিলা মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্তৰ লগতে কামৰূপ জিলা পৰিষদৰ সদস্য, সদস্যা আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতিসকল উপস্থিত থাকে।

০০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত ৫ দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত স্বদেশী মেলাৰ আজি সন্ধিয়া সামৰণি পৰিব। ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সৌজন্যত আৰু সদৌ অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড তথা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত এই মেলাত ৫০ খন বিপণীয়ে অংশগ্ৰহণ কৰিছে। মেলাত বিভিন্ন থলুৱা খাদ্য সম্ভাৰ, পৰম্পৰাগত সাজ-পাৰ আদি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ লগতে বাঁহ-বেতৰ সামগ্ৰীৰ বিপণীও মুকলি কৰা হৈছে।

০০০০০

বজালী জিলাৰ বাঘমাৰাৰ সমীপৰ গড়বজাৰত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত ৪ গৰাকী শিক্ষাৰ্থীসহ ৫ জন লোক আহত হয়। গুৰুতৰভাৱে আহত হোৱা লোককেইজনক পাঠশালাৰ ছহিদ মদনৰাওতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে এজনক গুৱাহাটীলৈ আৰু আন ৩ জনক বৰপেটা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ইপিনে দুৰ্ঘটনাত আহত ট্ৰেক্টৰখনৰ চালক ধনন বড়োকো গুৱাহাটীলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে।

ইপিনে বাক্সা জিলাৰ বাৰেঙাবাৰী মায়ংপাৰাত সংঘটিত আন এটা পথ দুৰ্ঘটনাত এগৰাকী ট্ৰেক্টৰ চালক গুৰুতৰভাৱে আহত হৈছে। আৰক্ষী সূত্ৰই জানিবলৈ দিয়া মতে তীব্ৰবেগী ট্ৰেক্ট্ৰখনে নিয়ন্ত্ৰণ হেৰুৱাই পকী খুটাত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত ট্ৰেক্টৰ চালকজনক কালপানীৰ সুজিত বৰ্মন বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। ঘটনাস্থলীত স্থানীয় বাঁহবাৰী আৰক্ষীয়ে আহত বৰ্মনক তাৎক্ষণিকভাৱে চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। উদীয়মান খেলুৱৈৰ প্ৰশিক্ষণ বিষয়ক সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মঙলদৈ জিলাৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে।

০০০০০

সমাপ্ত